**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 24-09-2025**
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

oooooo

অসম চৰকাৰে ব্যৱসায়ী আৰু নিজকে সাংস্কৃতিক কৰ্মী বুলি দাবী কৰা শ্যামকানু মহন্ত আৰু তেওঁৰ সৈতে জড়িত যিকোনো সংগঠন বা সংস্থাই ৰাজ্যখনৰ ভিতৰত কোনোধৰণৰ অনুষ্ঠান বা উৎসৱ অনুষ্ঠিত কৰাত নিষেধাজ্ঞা আৰোপ কৰিছে। তদুপৰি ৰাজ্য চৰকাৰে সেই ব্যক্তিজনৰ সৈতে জড়িত কোনো অনুষ্ঠানক প্ৰত্যক্ষ বা পৰোক্ষভাৱে কোনোধৰণৰ আৰ্থিক অনুদান, বিজ্ঞাপন, বা পৃষ্ঠপোষকতা প্ৰদান নকৰে। লগতে ৰাজ্য চৰকাৰে তেওঁক কোনোধৰণৰ বিত্তীয় সাহায্য বা পৃষ্ঠপোষকতা প্ৰদান নকৰিবলৈ কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনাব। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আজি ক্ষন্তেক সময়ৰ আগতে সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰে।

উল্লেখযোগ্য যে অসমৰ ৰাইজৰ হিয়াৰ আমঠু জুবিন গাৰ্গক ছিংগাপুৰত আয়োজিত নৰ্থ-ইষ্ট ফেষ্টিভেললৈ আমন্ত্ৰণ কৰি লৈ যোৱা আৰু ছিংগাপুৰৰ সাগৰত পানীত বুৰি জুবিন গাৰ্গৰ মৃত্যু হোৱাৰ ঘটনা সন্দৰ্ভত পৰৱৰ্তী কালত কেতবোৰ স্ব-বিৰোধী মন্তব্য কৰাৰ পৰিপ্ৰেক্ষিতত শ্যামকানু মহন্তৰ বিৰুদ্ধে সমগ্ৰ অসমতে তীব্ৰ ক্ষোভৰ সৃষ্টি হৈছিল।

ooooooo

অসমৰ ৰাইজৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ চিতাভস্ম তেওঁৰ অনুৰাগী সংগঠন আৰু ব্যক্তিবিশেষে সংগ্ৰহ কৰিব পৰাকৈ অসম চৰকাৰে এটা প'ৰ্টেল মুকলি কৰাৰ সিদ্ধান্ত লৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে জুবিন গাৰ্গৰ অন্ত্যেষ্টিক্ৰিয়াৰ পাছতে কালি সোণাপুৰৰ কমাৰকুছিত এই কথা সদৰি কৰে। তেওঁ কয়, যে এই প'ৰ্টেলটোত পঞ্জীয়ন কৰাৰ প্ৰক্ৰিয়া অতি সৰল ৰখা হ'ব আৰু আগ্ৰহীসকলে ইয়াত পঞ্জীয়ন কৰি শিল্পীগৰাকীৰ চিতাভস্ম সংগ্ৰহ কৰিব পাৰিব।

বাইট (ৰণোজ পেগু)

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে কালি কমাৰকুছিৰ জুবিনগাৰ্গ ক্ষেত্ৰত প্ৰাণৰ শিল্পীগৰাকীৰ চিতাৰ জুই নিৰ্বাপিত হোৱাৰ পাছতেই প্ৰশাসনে ৩৪ টা কলহত চিতাভস্ম সংগ্ৰহ কৰি সংৰক্ষণ কৰে। শিল্পীগৰাকীৰ পত্নী গৰিমা গাৰ্গে শেষকৃত্যৰ পাছত অস্থি সংগ্ৰহ কৰাৰ লগতে সমাধিস্থলীত শিল্পীগৰাকীৰ প্ৰিয় নাহৰ পুলি ৰোপণ কৰে।

পৰিয়ালৰ সিদ্ধান্তমৰ্মে শিল্পীগৰাকীৰ ১৩ দিনীয়া শ্ৰাদ্ধানুষ্ঠান যোৰহাটত পালন কৰা হ'ব আৰু সেইদিনাই তেওঁৰ চিতাভস্ম যোৰহাটৰ ৰাইজক আনুষ্ঠানিকভাৱে অৰ্পণ কৰা হ'ব।

ooooooo

প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ছিংগাপুৰত অস্বাভাৱিকভাৱে মৃত্যু হোৱা ঘটনাৰ তদন্ত বিচাৰি এজন অধিবক্তাই দাখিল কৰা এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন গুৱাহাটী উচ্চ ন্যায়ালয়ে গ্ৰহণ কৰিছে। অহা ৮ নৱেম্বৰত এই আবেদনখনৰ শুনানিৰ বাবে তালিকাভুক্ত কৰিবলৈ উচ্চ ন্যায়ালয়ে আজি নিৰ্দেশ দিছে। অৱশ্যে কোনো ব্যক্তিগত

স্বাৰ্থত যদি এই আবেদনখন দাখিল কৰা হৈছে তেনেহ’লে আবেদনকাৰীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ’ব বুলিও আদালতে সকিয়াই দিছে।

০০০০০০০

বিশ্ব ঐতিহ্যক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যান আজিৰেপৰা পুনৰ মুকলি কৰা হৈছে। এই উপলক্ষে আজি উদ্যানখনৰ বাঁহবাৰী সংমণ্ডলৰ প্ৰথম প্ৰৱেশদ্বাৰৰ পৰা মুখ্য প্ৰৱেশদ্বাৰলৈ এটা হস্তী সমদল উলিওৱা হয়। ইয়াৰ পাছতেই বি টি চিৰ বন বিভাগৰ সচিব সুমন মহাপাত্ৰই ৰাষ্ট্ৰীয় উদ্যানখন ২০২৫-২৬ পৰ্যটন বৰ্ষৰ বাবে আনুষ্ঠানিকভাৱে মুকলি কৰে। আজিৰ কাৰ্যসূচীৰ আৰম্ভণিতে জনতাৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতিত এক মিনিট মৌনতা অৱলম্বন কৰা হয়।

০০০০০০০

অসম ৰে’ল যাত্ৰী সন্থাই নিউ তিনিচুকীয়া আৰু ধুবুৰীৰ মাজত ইণ্টাৰচিটী ৰে’লগাড়ীখন পুনৰ প্ৰৱৰ্তন কৰি ইয়াক জুবিন এক্সপ্ৰেছ নামেৰে চলাচল কৰাবলৈ আহ্বান জনাইছে। ২০২৩ চনত তিনিচুকীয়াৰ পৰা ধুবুৰীলৈ উত্তৰ-পূব সীমান্ত ৰে’লৱেই  চলাচল বন্ধ কৰি দিয়া এই জৰুৰী ৰে’লগাড়ীখন পুনৰ চলাচল কৰাবলৈ ৰে’লযাত্ৰী সন্থাৰ সাধাৰণ সম্পাদক দীপাংকৰ শৰ্মাই আহ্বান জনাইছে। তেওঁ কয়, যে বৰপেটাৰোড, ৰঙিয়া, টংলা, ওদালগুৰি আদিৰ পৰা তিনিচুকীয়া অথবা ধুবুৰীলৈ বিকল্প ৰে’লগাড়ী চলাচল নথকা হেতুকে এই ৰে’লখন অত্যন্ত আৱশ্যক। শিল্পীগৰাকীৰ প্ৰয়াণত উত্তৰ-পূব সীমান্ত ৰে’লৱেই মালিগাঁৱৰ লগতে বিভিন্ন ষ্টেচনত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰিছে। সেই হেতুকে জুবিন গাৰ্গৰ নামত ৰে’লগাড়ীখনৰ চলাচল কৰাই তেওঁৰ প্ৰতি সন্মান জনোৱাৰ লগতে ৰে’লযাত্ৰীৰ বহুদিনীয়া প্ৰয়োজন পূৰাবলৈ ৰে’লযাত্ৰী সন্থাই উত্তৰ-পূব সীমান্ত ৰে’লৱেক আহ্বান জনাইছে।

০০০০০০০

যোৱা ২২ ছেপ্তেম্বৰত অনুষ্ঠিত বিটিচি পৰিষদীয় নিৰ্বাচনৰ ভোটগণনা পৰহিলৈ অনুষ্ঠিত হ’ব। ভোটগণনা সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে বি টি চিৰ অন্তৰ্গত পাঁচোখন জিলাতে প্ৰস্তুতি চলাই থকা হৈছে। উল্লেখযোগ্য যে এইবাৰৰ বি টি চি নিৰ্বাচনত ৭৮ দশমিক ৪-২ শতাংশ লোকে ভোটদান কৰে। বাক্সা জিলাত ৭৬ দশমিক ৯-২ শতাংশ, কোকৰাঝাৰ জিলাত ৮২ দশমিক ৩-১ শতাংশ আৰু বাকী তিনিখন জিলাত প্ৰায় ৭৭ শতাংশ ভোটদান হয়।

০০০০০০০

ঝাৰখণ্ডৰ ৰাঁছীত অনুষ্ঠিত ৩৬ সংখ্যক পূব মণ্ডল জুনিয়ৰ এথলেটিকছ প্ৰতিযোগিতাৰ কালি দ্বিতীয় দিনা অসমে ৪টা সোণ, ৩টা ৰূপ আৰু ৪টা ব্ৰঞ্জৰ পদক দখল কৰিছে। কালি অসমৰ হৈ ১৮ বছৰ অনূৰ্ধৰ ল’ৰাৰ ৫ হাজাৰ মিটাৰ খোজকঢ়াত ফিৰদৌচ আলম, লং জাম্পত জ্যোতিষ্মান বৰুৱা, ১৮ বছৰ অনূৰ্ধৰ ছোৱালীৰ ৩ কিলোমিটাৰ খোজকঢ়াত সূৰ্পণা দাস আৰু ৪x১০০ মিটাৰ ৰীলে দৌৰত সোণৰ পদক অৰ্জন কৰে। ১৬ বছৰ অনূৰ্ধৰ ছোৱালীৰ ৬০০ মিটাৰ দৌৰত ধৃতিমা উজিৰ, ২০ বছৰ অনূৰ্ধৰ ছোৱালীৰ ১৫০০ মিটাৰ দৌৰত পাহী কেওট আৰু ১৬ বছৰ অনূৰ্ধৰ পেণ্টাথলনত হাদমগৌড়া ব্ৰহ্মই ৰূপৰ পদক লাভ কৰে। আনহাতে ১৬ বছৰ অনূৰ্ধৰ ল’ৰাৰ লং জাম্পত মৃদুল হুছেইন, ২০ বছৰ অনূৰ্ধৰ ল’ৰাৰ ১১০ মিটাৰ হাৰ্ডলছত বিকাশ নাথ, ৪০০ মিটাৰ দৌৰত মুন্না কুমাৰ ব্ৰহ্ম আৰু ছোৱালীৰ লং জাম্পত মেঘালী বুঢ়াগোহাঁইয়ে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সমৰ্থ হয়।

০০০০০০০

**সমাপ্ত**